জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪১৮/২০২০**

**শোণিতপুৰ জিলাৰ চাৰিদুৱাৰৰ ধাৰিকাটিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত নামকৰণ কৰা ‘সাহিত্য মনীষী উপবন’ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# চলিত বাৰিষা ঋতুতে ৰাজ্যৰ ২৪ টা স্থানত ‘সাহিত্য মনীষী উপবন’ মুকলি কৰাৰ পদক্ষেপ লোৱা হৈছে ঃ মুখ্যমন্ত্ৰী

## অসমৰ বুকুত বিগত দুটা বছৰত ২২২ বৰ্গ কিলোমিটাৰ বনাঞ্চল বৃদ্ধি পাইছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ জুন ঃ** “অসমক প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে আৰম্ভণিৰে পৰা ব্যাপক হাৰত বৃক্ষৰোপনৰ পদক্ষেপ লৈ আহিছে। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ১০কোটি জোপা ফল-ফুল-ঔষধি গছ ৰোপনৰ বাবে লক্ষ্য লোৱা হৈছিল। সেই অনুসৰি এতিয়ালৈকে অসম চৰকাৰে সমগ্ৰ ৰাজ্যতে ৬.৫ কোটি গছ ৰোপন কৰিবলৈ সক্ষম হৈছে। এইবছৰো এই বাৰিষা ঋতুত ডেৰ কোটি জোপা গছ ৰোপনৰ পৰিকল্পনা লোৱা হৈছে।” — আজি শোণিতপুৰ জিলাৰ চাৰিদুৱাৰ অঞ্চলৰ ধাৰিকাটিত এহেজাৰজোপা বিভিন্ন প্ৰকাৰৰ ফল-ফুল-ঔষধি বৃক্ষৰোপনৰ জৰিয়তে ‘সাহিত্য মনীষী উপবনৰ’ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা বতৰাত এইদৰে কয়। উল্লেখ্য যে অসমক প্ৰাকৃতিকভাৱে এখন শক্তিশালী ৰাজ্য হিচাপে সংৰক্ষণ কৰা আৰু ইয়াৰ জীৱ-বৈচিত্ৰ্যৰ শক্তি বৃদ্ধি কৰাৰ মূল লক্ষ্যৰে ৰাজ্য চৰকাৰৰ বন বিভাগে চলিত বাৰিষা ঋতুতে ৰাজ্যখনৰ ২৪ টা স্থানত ‘সাহিত্য মনীষী উপবন’ নামৰ এক কাৰ্যসূচী গ্ৰহণ কৰি ইয়াৰ অধীনত এহেজাৰ জোপাকৈ বৃক্ষৰোপনৰ পদক্ষেপ লৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে আজি কিছুদিনৰ আগতে কেন্দ্ৰীয় চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী প্ৰকাশ জাভেদকাৰে সংবাদ মাধ্যমক সম্বোধন কৰোতে ভাৰতবৰ্ষৰ বনাঞ্চলৰ পৰিমাণ বৃদ্ধি পোৱা ৰাজ্যসমূহৰ বিষয়ে উল্লেখ কৰিছিল, য’ত উত্তৰ-পূবৰ দুখন ৰাজ্যই স্থান লাভ কৰিছিল। অসমৰ বুকুত বিগত দুটা বছৰত ২২২ বৰ্গ কিলোমিটাৰ বনাঞ্চল বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ ফলপ্ৰসূ হোৱাৰ কথা ইয়ে প্ৰমাণ কৰিছে। ৰাজ্যখনৰ উঠি অহা প্ৰজন্মই যাতে জীৱ বৈচিত্ৰ্যৰ শক্তি সন্দৰ্ভত সঠিক উপলব্ধিৰে আগন্তুক দিনত ৰাজ্যৰ প্ৰাকৃতিক বাতাৱৰণ সংৰক্ষণ কৰাত আত্মনিয়োগ কৰে তাৰ বাবেই অসম চৰকাৰে এনেধৰণৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে বুলি তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম ৰাজ্যখন গছ-গছনি, পাহাৰ-ভৈয়াম, নদ-নদী, খাল-বিল,

চৰাই-চিৰিকটি, পশু-পক্ষী, পোক-পৰুৱা আৰু সুন্দৰ মানৱ সমাজৰ সমষ্টি। বৰাক-ব্ৰহ্মপুত্ৰ দুয়োটা উপত্যকা, তিনিখন পাহাৰীয়া জিলাৰে গঠিত আমাৰ ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগৰ বাবে সমগ্ৰ পৃথিৱীয়ে ইচ্ছা প্ৰকাশ কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইখন অসমৰ বুকুতে নামেৰি, পবিতৰা, মানস, কাজিৰঙা আদি বিভিন্ন ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যই দেশ-বিদেশৰ পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সেয়েহে অসমৰ প্ৰতিগৰাকী লোককে এইবছৰৰ মে'ৰ পৰা আগষ্ট মাহলৈকে গছ ৰোপনৰ বাবে উপযোগী এই বতৰত নিজৰ ঘৰৰ চৌহদত তথা স্কুল-কলেজ, অনুষ্ঠান-প্ৰতিষ্ঠান আদি ৰাজহুৱা স্থানত এজোপাকৈ বৃক্ষ ৰোপন কৰি সেই পুলিটো তুলি-তালি ডাঙৰ-দীঘল কৰাৰ দায়িত্ব বহন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে মহান মনীষীসকলৰ নামেৰে এই উদ্যানবিলাক জীয়াই ৰাখিব বিচাৰে। সেয়েহে আজিৰ এই প্ৰথমখন উদ্যান ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামেৰে নামকৰণ কৰাৰ কথা তেওঁ ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই মনীষীসকলে এগৰাকী প্ৰকৃতিপ্ৰেমী হিচাপে তেওঁলোকৰ সৃষ্টিত উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। গীত-মাত সকলোতে তেওঁলোকে প্ৰকৃতিৰ গুণানুকীৰ্ত্তন কৰি গৈছে। উদ্যানখনত আজি ৰোপন কৰা পুলিসমূহ উপযুক্ত প্ৰতিপালনৰ বাবে নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈও তেওঁ বন বিভাগৰ স্থানীয় বিষয়া-কৰ্মচাৰীসকলক আহ্বান জনায়। পিতৃ-মাতৃয়ে কষ্ট স্বীকাৰ কৰি সন্তানক লালন-পালন কৰাৰ দৰে নিজে ৰোপন কৰা গছপুলিটোৰো দায়িত্ব ল'বলৈ তেওঁ সকলোকে আহ্বান জনায়।

আজিৰ অনুষ্ঠানত অসম চৰকাৰৰ বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে পদ্ম হাজৰিকা, গণেশ লিম্বু আৰু অশোক সিংহাল, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে বন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ**
**১১/০৬/২০২০**